[redacted]

(খ্ৰীঃ একাদশ শতাব্দী), ধৰ্মপালৰ খনামুখ, শুভংকৰ পাটক আৰু পুষ্পভদ্ৰা শাসন (খ্ৰীঃ দ্বাদশ শতাব্দী), বৈদ্যদেৱৰ কমৌলী শাসন (খ্ৰীঃ দ্বাদশ শতাব্দী), বল্লভদেৱৰ অসম শাসন (খ্ৰীঃ দ্বাদশ শতাব্দী) ইত্যাদি। তলত কেইখনমান উল্লেখযোগ্য লিপিৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল —

➢ *নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি ঃ* ১৯৭১ চনত গোলাঘাটৰ সৰুপথাৰৰ ওচৰৰ নগাজৰী খনিকৰ গাঁৱত এই লিপিখনি উদ্ধাৰ হয়। এই লিপিৰ আখৰৰ লগত প্ৰাক্-গুপ্তকালীন লিপিৰ আখৰৰ মিল থকা বুলিও পণ্ডিতসকলে মত দিছে। মুকুন্দ মাধৱ শৰ্মাই লিপিখনৰ বৈশিষ্ট্য আৰু সময় সম্পৰ্কে গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে এই বুলি যে "উমাচল শিলালিপি আৰু বৰগংগা শিলালিপিৰ সৈতে এই লিপিৰ যথেষ্ট সাদৃশ্য আছে। তথাপি ব আৰু ৱ আখৰৰ পাৰ্থক্য ৰখালৈ চাই... ... ইয়াক সংস্কৃত ভাষাত লিখিত এতিয়ালৈকে আৱিষ্কৃত অসমৰ প্ৰাচীনতম লিপি বুলি ভাবিবৰ অৱকাশ আহে।" এই লিপিখনৰ সময় খ্ৰীষ্টীয় পঞ্চম শতিকাৰ আদিভাগ বুলি কোৱা হৈছে। নগাজৰী খনিকৰ গাঁৱৰ প্ৰস্তৰ লিপিৰ সৈতে সমুদ্ৰগুপ্তৰ





. মা, মু, ৰা আদি অক্ষৰৰ হুবহু মিল দেখা যায়। অন্যান্য
শস্তি লিপিৰপৰা অধিক আঁতৰত নহয় বুলি অধ্যাপক
ত প্ৰকাশ কৰিছে।

**াগাজৰী খনিকৰ গাঁৱৰ শিলালিপি**



unit 1 (1)



**উৎস ঃ** *অসমীয়া প্ৰাচীন লিপি*, সৰ্বেশ্বৰ কটকী

বুৰঞ্জীৰ মতে সমুদ্ৰগুপ্ত ৩১০ খ্ৰীষ্টাব্দৰ পাছত ৰাজপাটত বহি খ্ৰীষ্টীয় ৩৮০ত মৃত্যুবৰণ কৰে। গতিকে সমুদ্ৰগুপ্তৰ এলাহাবাদ প্ৰশস্তিৰ সমসাময়িক নগাজৰী খনিকৰ গাঁও প্ৰস্তৰখণ্ড লিপিক চতুৰ্থ শতাব্দীৰ অন্তিম তৰংগত থাপিব পাৰি বুলিও লিপি বিশেষজ্ঞসকলে মত দিছে।

*সুৰেন্দ্ৰবৰ্মা উমাচল শৈললিপি ঃ* ১৯৫৫ চনত এই ফলিখনিৰ কথা পোহৰলৈ আহে। মাত্ৰ চাৰিটা শাৰীত সম্পূৰ্ণ হোৱা ফলিখনৰ পাঠ এনেধৰণৰ —

মহাৰাজাধিৰাজ শ্ৰী
সুৰেন্দ্ৰবৰ্ম্মণা কৃতম্
ভগৱতঃ বলভদ্ৰ
স্বামিনায় ইদং গুহং

নীলাচল পাহাৰৰ উত্তৰপূব কোণত অৱস্থিত উমাচলৰ ভগৱান বলভদ্ৰৰ পূজাসেৱাৰ অৰ্থে নিৰ্মিত গুহামন্দিৰৰ এই শৈললেখখনি খ্ৰীঃ ৪৫০-৪৮০ সময় ৰেখাৰ ভিতৰত উৎকীৰ্ণ কৰা বুলি পণ্ডিতসকলে সিদ্ধান্ত দিছে। লিপিখনিৰ মুঠ অক্ষৰ সংখ্যা ৩৩। লিপিৰ একক অক্ষৰ ১৭ টা, যুক্তাক্ষৰ ৫ টা আৰু হলন্ত এটা। ১৭ টা অক্ষৰৰ ভিতৰত ই, ক, জ, ত, ন, ভ, ম, ৰ আৰু ৱ— এই নটা অক্ষৰ গুপ্তলিপিৰে অভিন্ন— বাকী অক্ষৰকেইটাৰ ৰূপ প্ৰাক্-গুপ্তযুগৰ বুলি অধ্যাপক বিশ্বেশ্বৰ হাজৰিকাদেৱে মত পোষণ কৰিছে।






➤ *ভাস্কৰবৰ্মাৰ ডুবি তাম্ৰশাসন ( খ্ৰীঃ সপ্তম শতাব্দীৰ) ঃ* এই ফলিখ...

Rotate screen Play Share Search

➤ *ভাস্কৰবৰ্মাৰ ডুবি তাম্ৰশাসন ( খ্ৰীঃ সপ্তম শতাব্দীৰ)* ঃ এই ফলিখনত মুঠতে ছখনি তাম্ৰফলক আছিল যদিও উদ্ধাৰৰ কালতে অন্তিম ফলকখনি নষ্ট হয়। হস্তী অংকিত আঙঠিৰে বন্ধা তাম্ৰশাসনখনিৰ প্ৰথম ফলকখনিৰ ভিতৰৰ ফালে আৰু বাকীকেইখনি ফলকৰ দুয়োফালে লিখা। মুঠ শাৰীৰ সংখ্যা ১১৭, ইয়াত ৭৬ টা শ্লোক আছে; অৱশিষ্ট অংশ গদ্যত লিখা। ৰজা ভূৰ্তিবৰ্মাই প্ৰদান কৰা চনদখনি মচ খাই যোৱাৰ ফলত কুমাৰ ভাস্কৰবৰ্মাই এই তাম্ৰশাসনখনি একে উদ্দেশ্যে ইতিপূৰ্বে প্ৰদান কৰা ব্ৰাহ্মণসকললৈ প্ৰদান কৰিছিল (ডুবি তাম্ৰশাসন, শ্লোক ৭৬) প্ৰাগ্‌জ্যোতিষৰপৰা প্ৰদান কৰা এই শাসনখনি সপ্তম শতাব্দীৰ আদিকালৰ সম্পদ।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৫ ঃ** অসমীয়া লিপিৰ কোন লিপিৰ পৰা বিকাশ সাধন হৈছে ?

...........................................................................................

**প্ৰশ্ন নং ৬ ঃ** খালি ঠাই পূৰণ কৰক—

ক) অসমীয়া লিপিৰ ক্ৰমবিকাশৰ ধাৰাটিক প্ৰধানতঃ..............ভাগত ভাগ কৰা হৈছে।

খ) ................ চনত নগাজৰী খনিকৰ গাঁৱৰ লিপিখনি উদ্ধাৰ হয়।

গ) উমাচল শৈললিপিত মুঠতে ................টা অক্ষৰ আছে।

## ১.৬.২ মধ্যযুগীয় অসমীয়া লিপি

খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ প্ৰথমাৰ্ধত খোদিত উত্তৰ গুৱাহাটীৰ 'কানাই বৰশীবোৱা তুৰুষ্ক-ক্ষয়ৰ শিলৰফলি'ৰ আখৰক মধ্যযুগীয় অসমীয়া লিপিৰ প্ৰথম নিদৰ্শন ৰূপে সাব্যস্ত কৰিব পাৰি। এই শতাব্দীৰে অন্যান্য লিপিৰ উদাহৰণ হৈছে— আমবাৰী শিলালিপি, *চৰ্যাগীতিকোষ* আৰু *দোহাকোষপঞ্জিৰ* লিপি আদি। ইয়াৰ পাছৰ খ্ৰীষ্টীয় চতুৰ্দশ শতাব্দীৰ মধ্যযুগীয় অসমীয়া লিপিৰ নিদৰ্শনসমূহ পোৱা যায়— গছতল স্তম্ভলিপি, পুৰুষোত্তম দাসৰ ৰাউতকুছি তাম্ৰশাসন, সধয়াপুৰীশ্বৰ মাধৱদেৱৰ নীলাচল তাম্ৰলেখ ইত্যাদিত। পৰৱৰ্তী ষোড়শ শতাব্দীৰ নিদৰ্শনসমূহ ৰক্ষিত হৈছে— কামাখ্যা মন্দিৰৰ শিলৰ ফলি, মহাৰাজ নৰনাৰায়ণৰ মুদ্ৰাৰ লিপি, হয়গ্ৰীৱ মাধৱৰ শিলৰ ফলি ইত্যাদিত। মন কৰিব যে খ্ৰীষ্টীয় ষোড়শ-অষ্টাদশ শতাব্দীৰ সময়ছোৱাত অসমত বহুলভাৱে দুবিধ লিপিৰ প্ৰচলন আছিল। তাৰে এবিধৰ নাম টাই বা আহোম লিপি; ইয়াক 'অসমাক্ষৰ' বুলিও কোৱা হয়। আনবিধ পুৰণি অসমীয়া। ইয়াক 'হেন্দুৱান' বা 'হিন্দুঅক্ষৰ' ৰূপেও জনা গৈছিল।